AMAZING FACTS India

# ভাৱবাণীৰ এক সম্পূৰ্ণ দৃশ্য

## জীৱন পৰিবৰ্ত্তন কৰা এটা বাইবেল অধ্যয়ণ!

## অহংকাৰী যুৱৰাজ

২য় চামুৱেল ১৩:১-১৮, ৩৩

## কাহিনী...



দায়ুদৰ পুত্ৰবিলাকৰ মাজত অবচালোম আছিল আটাইতকৈ সুন্দৰ, ধূৰ্ত্ত আৰু উচ্চাভিলাষী । বাইবেলে এইদৰে কৈছে, “গোটেই ইস্ৰায়েলৰ মাজত অবচালোমৰ নিচিনা নিজৰ সৌন্দৰ্য্যৰ কথাত প্ৰশংসনীয় কোনো পুৰুষ নাছিল ; তেওঁৰ ভৰিৰ তলুৱাৰ পৰা মূৰৰ তালুলৈকে তেওঁত একো ঘূণ নাছিল” ।

কনি্তু দৃঢ়প্ৰতজি্ঞ এই যুৱৰাজ জনে তওেৰ চকুত লগা সে ৗন্দৰ্য্যতাৰ নমিতি্তে লে াকসমুহৰ পৰা কৰেল উচ্চ-প্ৰশংসাতকৈ আৰু অধকি কবিা বচিাৰছিলি । তওে পতি্ৰ সংিহাসনখনৰ ক্ষমতা বচিাৰছিলি । যকিে ানে া মূল্যৰ বনিমিয়ত তওে ইস্ৰায়লেৰ ৰজা হবলৈ বচিাৰছিলি । অবচালে ামে প্ৰথমতে, তওেৰ ভনীয়কে তামাৰক বহৈজ্যতি কৰাৰ কাৰনে তওেৰ জষে্ঠভাতৃ আমে ানক হত্যা কৰছিলি । আমে ান আছলি দাযুদৰ প্ৰথম পুত্ৰ আৰু দাযুদৰ পছিত ৰজা হে াৱাৰ যে াগ্যজন । ইয়াৰ পছিত, অবচালে ামে নজি পতি্ৰ প্ৰয়িভাজন হবলৈ গে াপনে কাম কৰবিলৈ লছৈলি, আৰু আনফালে সমগ্ৰ ৰাজ্যখনত দাযুদৰ শাসন, বচিাৰ, আৰু আইন কানুনৰ ওপৰত সন্দহেৰ চক্ৰান্তমুলক বীজ সহৈ ততেয়িালৈ সচিবিলৈ লছৈলি, “যতেয়িালকৈে তওে ইস্ৰায়লে লে াকবলিাকৰ হৃদয়বে াৰক নজিৰ ফলীয়া কৰবি পৰা নাছলি” । ২য় চামুৱলে ১৫ :৬ ।

অৱশষেত, তওেৰ অসত পৰকিল্পনাটে া বষি্ফে াৰতি হৈ এটা সম্পূৰ্ণ বদি্ৰে াহৰ ৰূপ লছৈলি, যতেয়িা অবচালে ামে নজিৰ পতি্কে হত্যা কৰবিলৈ চষে্টা কৰছিলি আৰু ৰাজ্যখন কাঢ়ি লছৈলি । দাযুদ আৰু তওেৰ বশি্বস্ত অনুচৰ বলিাক যৰিে াচালমেৰ পৰা পলাই যাবলৈ বাধ্য হছৈলি । কনি্তু কছ্িুদনিৰ পছিত, এখন ভয়ানক যুদ্ধৰ ফলত, দাযুদে আকে ৗ এবাৰ তওেৰ ৰাজ-সংিহাসন লাভ কৰছিলি আৰু অতি সুন্দৰ যুৱৰাজ অবচালে ামৰ মৃত্যু হছৈলি ।

বাস্তবকিতে এটা দুখজনক কাহনিী, কনি্তু এইটে াৱহৈ ৰাজকীয় পৰয়িালৰ জাইগীৰৰ প্ৰথম কাহনিী নাছলি । বহু আগতে আন এখন মহান ৰাজ্যত এই একে ঘটনাই ঘটছিলি যি সকলে া সময়ৰ আটাইতকৈ অধকি শে াকজনক বদি্ৰে াহৰ জন্ম দছিলি ।

সহৈ মহান ৰাজ্যখনক কে াৱা হছৈলি-স্বৰ্গ !



পাঠ নং-৩

# অধ্যয়ন

প্ৰতিটো বাইবেল পদ পঢ়াৰ পিছত তলত দিয়া খালী ঠাইবোৰ পূৰ্ণ কৰা ।

## ১. স্বৰ্গত বিদ্ৰোহী ৰাজকুমাৰ জনৰ নাম কি আছিল, আৰু সি কিয় বিদ্ৰোহ কৰিছিল?

**যিচয়া ১৪:১২ হে** [redacted], প্ৰভাতীয় পুত্ৰ, তুমি স্বৰ্গৰ পৰা কেনেৰূপে পতিত হলা !(কেজিভি)

**যিচয়া ১৪:১৩, ১৪** তুমি [redacted] ভাৱিছিলা, ... মই [redacted] হম ।

**যিহিস্কেল ২৮:১৭** তোমাৰ [redacted] কাৰনে তোমাৰ হৃদয় গৰ্ব্বিত হৈছিল; তোমাৰ [redacted] কাৰনে তুমি নিজ জ্ঞান নষ্ট কৰিলা....

**টোকা:** ঈশ্বৰৰ সৃষ্টিৰ ভিতৰত লুচিফাৰ আছিল আটাইতকৈ শক্তিশালী আৰু সুন্দৰ । সি স্বৰ্গদূতৰ মাজত সৰ্ব্বোচ্চ পদত অধিস্হিত আছিল আৰু খুউব সম্ভৱত স্বৰ্গৰ গায়ক দলৰ পৰিচালক আছিল । কিন্তু সি তাৰ সৌন্দৰ্য্যতাক গৰ্ব্বত উফন্দি উঠিবলৈ এৰি দিছিল । (তূৰৰ আৰু বাবিলৰ ৰজাৰ দ্বাৰাই চয়তানক প্ৰতীকি ৰূপত দেখুওৱা হৈছে এই সংযোজনটো চাওক) ।

## ২. ঈশ্বৰে লুচিফাৰক সৃষ্টি কৰোতে এজন চয়তান কৰি সৃষ্টি কৰিছিল নেকি?

**যিহিস্কেল ২৮:১৫** তোমাত [redacted] পোৱা নোযোৱালৈকে তুমি সৃষ্ট হোৱা দিনৰ পৰা তোমাৰ আচাৰ-ব্যৱহাৰত [redacted] আছিলা ।

**টোকা:** ঈশ্বৰে এজন সম্পূৰ্ণ সিদ্ধ স্বৰ্গদূত সৃষ্টি কৰিছিল, যি জনৰ আছিল স্বাধীন ইচ্ছা, এজন চয়তান হবলৈ মনোনীত কৰাৰো স্বাধীনতা । এইটো কল্পনা কৰিবলৈ হয়তো কঠিন হব পাৰে, লুচিফাৰক আমি সি পাপ কৰাৰ আগতে যদি জানিলোহেতেন, আমি তাক ভাল পালোহেতেন ।লুচিফাৰে তাৰ হৃদয়ত গৰ্ব আৰু আক্ষেপে খিতাপি লোৱাৰ আগতে সি কিমান কাল আনন্দ স্ফুৰ্তিৰে ঈশ্বৰৰ সেৱা কৰিছিল, সেই সময়খিনিক আমি সঠিককৈ নাজানো । ঈশ্বৰে তেওঁৰ আটাইবোৰ সৃষ্ট প্ৰানীক ৰবটৰ সদৃশ বনাব পাৰিলেহেতেন, কিন্তু এটা ৰবটে প্ৰেম কৰিব নাজানে । প্ৰকৃত প্ৰেম ৰিক্স লবলৈ ইচ্ছুক থাকিবই লাগিব । এইটো কাৰনতে স্বামী-স্ত্ৰীয়ে সন্তান জন্ম দিবলৈ সিদ্ধান্ত লয়, এইটো জানিও যে কোনোবা এটা সময়ত সিহতে হয়তো অবাধ্য হোৱাৰ পথ বাচি লব পাৰে । কেইবাটাও কাৰনত ঈশ্বৰে লুচিফাৰক তাৰ বিদ্ৰোহ চলাই নিবলৈ অনুমতি প্ৰদান কৰিছিল । প্ৰথম কাৰনটো হৈছে, ঈশ্বৰে তেওঁৰ সৃষ্ট প্ৰাণীসকলক নিজে নিজৰ মতে সিদ্ধান্ত লবলৈ স্বাধীনতা দিছে নে নাই দিয়া এই প্ৰশ্নটোক সদাকালৰ নিমিত্তে নিষ্পতি কৰা । দ্বিতীয়টো হৈছে, ঈশ্বৰৰ প্ৰেম আৰু শাসনৰ ওপৰত সন্দেহ উপজোৱাৰ লগে লগে ঈশ্বৰে যদি লুচিফাৰক ধ্বংশ কৰিলেহেতেন, তেতিয়া আন বুদ্ধি সম্পন্ন সৃষ্ট প্ৰাণীৰ মনত লেলেটিয়া প্ৰশ্নবোৰ সদাকালৰ নিমিত্তে থাকি গলহেতেন । তেওবিলাকে হয়তো ভাবিলেহেতেন, “লুচিফাৰ কিজানি সুদ্ধই

আছিল” । সেই কাৰনে পাপৰ ভয়ঙ্কৰ পৰিনামবোৰক প্ৰদৰ্শন কৰিবলৈ লুচিফাৰক অনুমতি প্ৰদান কৰা হৈছিল । শেষতে, ঈশ্বৰে তেওঁৰ সৃষ্ট প্ৰাণীসকলক বিচৰা নাছিল যে তেওঁবিলাকে তেওঁৰ বাধ্য নহলে শাস্তি দিব বুলি ভাবিহে তেওঁৰ বাধ্য হয় । তেওঁ আমাক বিচাৰে, যাতে আমি তেওঁক প্ৰেম কৰাৰ বাবেহে তেওঁৰ বাধ্য হও, ভয় কৰাৰ বাবে নহয় ।

## ৩. অৱশেষত কি ঘটিছিল?

**প্ৰকাশিতবাক্য ১২:৭** আৰু [redacted] হল ; মীখায়েল আৰু তেওঁৰ দূতবিলাকে নাগে সৈতে যুদ্ধ কৰিলে ; সেই নাগ আৰু তাৰ দূতবিলাকেও যুদ্ধ কৰিলে;

**টোকা:** অৱশেষত লুচিফাৰ আৰু তাৰ ফলীয়া সকলোকে স্বৰ্গৰ পৰা বহিস্কাৰ কৰা হৈছিল ।

## ৪. চয়তানৰ আদেশৰ অন্তৰালত কি শক্তিশালী কাৰকে কাম কৰিছিল?

**প্ৰকাশিতবাক্য ১২:৪** তাৰ নেজে আকাশৰ [redacted] ভাগৰ এভাগ টানি নি, পৃথিবীত পেলাই দিলে ।

**প্ৰকাশিতবাক্য ১২:৯** ... তাক পৃথিবীলৈ পেলোৱা হল; আৰু তাৰ [redacted] তাৰ লগতে পেলোৱা হল ।

**টোকা:** চয়তান ইমানেই ধূৰ্ত যে ঈশ্বৰৰ বিৰুদ্ধে কৰা তাৰ বিদ্ৰোহত যোগ দিবলৈ সি এক তৃতীয়াংশ স্বৰ্গদূতবিলাকক প্ৰবঞ্চনা কৰিবলৈ সক্ষম হৈছিল । এতিয়া “চয়তান” আৰু “ভূত-পিষাচ” বুলি কোৱা এই পতিত স্বৰ্গদূতবিলাকেই চয়তানৰ পৰিকল্পনাটোক আগুৱাই লৈ গৈ আছে । অবচালোমৰ আমাৰ কাহিনীটিত, আমি দেখিলো যে তেৱোঁ একেদৰে তাৰ নিজৰ ঘৃণনীয় কামটো কৰিছিল । অবচালোমে তাৰ ইচ্ছা পুৰনৰ অৰ্থে তাৰ দাস বিলাকক আদেশ দিছিল ।
**২য় চামুৱেল ১৩:২৮** পাছে অবচালোমে তেওঁৰ দাসবিলাকক এই আজ্ঞা কৰিলে, বোলে, আমোনৰ মন কোন সময়ত দ্ৰাক্ষাৰসত প্ৰফুল্লিত হয়, তহতে তাক চাবি আৰু যেতিয়া তাক মাৰ বুলি মই তহতক কম, তেতিয়া তাক বধ কৰিবি ; মই তহতক জানো হুকুম দিয়া নাই ?
**২য় চামুৱেল ১৪:৩০** এই কাৰনে অবচালোমে নিজৰ দাসবিলাকক কলে, চোৱা, মোৰ মাটিৰ ওচৰতে যোৱাবৰ এখন শস্যক্ষেত্ৰ আছে ... তহতে গৈ তাত জুই লগাই দে ।

## ৫. চয়তানে তাৰ কাৰ্য্যত কি পদ্ধতি ব্যৱহাৰ কৰে?

**ক. প্ৰকাশিতবাক্য ১২:৯** চয়তান, যি গোটেই জগতৰ [redacted] জন্মায় ।

**খ. মাৰ্ক ১:১৩** সেই অৰণ্যত তেওঁ দুকুৰি দিনলৈকে বনৰীয়া জন্তুৰ লগত থাকি, চয়তানৰ দ্বাৰাই [redacted] হল;

**গ. প্ৰকাশিতবাক্য ১৬:১৪** সিহত ভূতবোৰৰ আত্মা, আচৰিত [redacted] দেখুৱাওতা;

**ঘ. প্ৰকাশিতবাক্য ১২:১০** কিয়নো আমাৰ ভাইবলাকৰ যি [redacted], দিনে ৰাতিয়ে আমাৰ ঈশ্বৰৰ আগত তেওঁবলাকৰ [redacted] দিয়ে ...

**ঙ. যোহন ৮:৪৪** সি আদিৰে পৰা [redacted] ... সি [redacted] আৰু তাৰ বাপেক ।

**টোকা:** সত আৰু অসতৰ মাজত হোৱা যুদ্ধখনৰ ক্ষেত্ৰত ঈশ্বৰতকৈ চয়তানৰ এটা বেচি সুবিধা আছে । ঈশ্বৰে কেৱল সত্যটোকহে প্ৰয়োগ কৰিব পাৰে, কিন্তু চয়তানে তাৰ অভিসন্ধিটোক উত্তমভাৱে পুৰন কৰিবলৈ সত্য বা অসত্য দুয়োটাকে প্ৰয়োগ কৰিব পাৰে । (সংযোজনত দিয়া “অনাকাংক্ষিতক আকাংক্ষ্যা কৰা” বিষয়টো চাওক)।

## ৬. চয়তান কেতিয়া আটাইতকৈ আধিক ভয়ানক হয়?

**২য় কৰিন্থিয়া ১১:১৪, ১৫** ই আচৰিত নহয় ! কিয়নো চয়তানে নিজেও [redacted] বেশ ধৰে ।

**টোকা:** চয়তানে যেনেকৈ কৰিছিল, ঠিক তেনেদৰে অবচালোমে লোকসমূহক প্ৰবঞ্চনা কৰিবলৈ সিহতৰ উন্নতিৰ বাবে চিন্তা কৰা বুলি দেখুওৱাইছিল আৰু সিহতক খুউব ভাল পায় বুলি ভাও ধৰিছিল ।

**২য় চামুৱেল ১৫:৫, ৬** আৰু যিকোনোৱে তেওঁৰ আগত প্ৰণিপাত কৰিবলৈ তেওঁৰ ওচৰলৈ আহে, তাক তেওঁ হাত মেলি চুমা খায় । ইস্ৰায়েলৰ যিমান মানুহ ৰজাৰ ওচৰলৈ বিচাৰৰ অৰ্থে যায়, সেই আটাইলৈকে অবচালোমে সেইৰূপ ব্যৱহাৰ কৰে । এই প্ৰকাৰে অবচালোমে ইস্ৰায়েল লোকবিলাকৰ মন তেওঁৰ ফাললৈ নিলে ।

চয়তান আটাইতকৈ ভয়ঙ্কৰ হৈ উঠে যেতিয়া সি মন্ডলিৰ ভিতৰত এজন আত্মিক ব্যক্তি হৈ কাম কৰে (সংযোজনত চাওক, “এজন উজ্জ্বল স্বৰ্গদূত”)।

## ৭. চয়তানে বাইবেল জানেনে?

**মথি ৪:৫, ৬** “... তেতিয়া চয়তানে ... তেওঁক কলে, তুমি যদি ঈশ্বৰৰ পুত্ৰ হোৱা, তেন্তে নিজকে তললৈ পেলাই দিয়া; কিয়নো [redacted] আছে, তেওঁ নিজৰ দূতবিলাকক তোমাৰ অৰ্থে আজ্ঞা দিব ...”

**টোকা:** লোকসমূহত প্ৰবঞ্চনা কৰাৰ উদ্দেশ্যত চয়তান বাইবেলৰ পদবোৰক উৰ্ধৃতি দিয়াত আৰু অপপ্ৰয়োগ কৰাত অতি নিপুন । সেই কাৰনে নিজকে ভুলপথে পৰিচালিত হোৱাৰ পৰা বচায় ৰাখিবলৈ ঈশ্বৰৰ লোকবিলাকে নিজেই শাস্ত্ৰীয়বাক্য জনাতো অতি আৱশ্যক ।

## ৮. পৃথিবীত থকাবিলাকৰ মাজত চয়তানে কাক সৰ্ব্বাধিক ঘৃণা কৰে?

**প্ৰকাশিতবাক্য ১২:১৭** তাতে নাগে সেই [redacted] খং উঠি, তেওঁৰ বংশৰ [redacted] লোক, অৰ্থাত ঈশ্বৰৰ আজ্ঞা পালন কৰা, আৰু যীচুৰ সাক্ষ্য ধাৰন কৰাবিলাকে সৈতে যুদ্ধ কৰিবলৈ গল ...

## ৯. চয়তানৰ প্ৰকৃত ৰূপ দেখুৱাবলৈ বাইবেলে কি দুটা প্ৰাণনাশক জন্তুক ব্যৱহাৰ কৰিছে?

**১ম পিতৰ ৫:৮** সচেতন হোৱা, পৰ দি থাকা । গুজৰি থকা [redacted] দৰে তোমালোকৰ শত্ৰু চয়তানে কাক কেনেকৈ গ্ৰাস কৰিব পাৰিব, তাৰ উপায় বিচাৰি ফুৰিছে ।

**প্ৰকাশিতবাক্য ১২ :৯** সেই মহা নাগক, অৰ্থাত দিয়াবল আৰু চয়তান নামেৰে বিখ্যাত হোৱা যি পুৰনি [redacted] গোটেই জগতৰ ভ্ৰান্তি জন্মায়, তাক পৃথিবীলৈ পেলোৱা হল ।

**টোকা:** সিংহ আৰু সাপ দুয়োটাই সিহতৰ চিকাৰ ধৰিবলৈ চোৰাং আৰু অন্যমনস্ক কৰা পদ্ধতি ব্যৱহাৰ কৰে । চয়তানৰ নিচিনাকৈ, সিহতে সিহতৰ চিকাৰৰ ওপৰত অকস্মাতে জপিয়াই পৰে আৰু সিহতক নিৰ্দ্দয়তাৰে আৰু অশেষ যাতনা দি হত্যা কৰে ।

## ১০. চয়তানক প্ৰতিৰোধ কৰা একমাত্ৰ পথ টো কি বাৰু?

**যাকোব ৪:৭, ৮** এতেকে [redacted] ঈশ্বৰৰ বশীভূত হোৱা; কিন্তু চয়তানক প্ৰতিৰোধ কৰা; তাতে সি তোমালোকৰ পৰা পলাই যাব । ঈশ্বৰৰ [redacted] চাপি আহা; তাতে তেৱোঁ [redacted] ওচৰলৈ চাপিব ।

**টোকা:** ঈশ্বৰৰ ওচৰলৈ চাপি অহাৰ সৰ্ব্বোত্তম পথটো হৈছে তেওঁৰ ওচৰত প্ৰাৰ্থনা কৰা আৰু তেওঁৰ বাক্য অধ্যয়ন কৰি তেওঁক জানিবলৈ যত্ন কৰা ।

## ১১. যীচুৱে চয়তানৰ হঠাত আক্ৰমনৰ বিৰুদ্ধে কেনেকৈ যুদ্ধ কৰিছিল?

**মথি ৪:১০** তেতিয়া যীচুৱে তাক কলে, গুচি, যা, চয়তান ... [redacted] আছে ।

**ইফিচীয়া ৬:১৭** ... আত্মাৰ তৰোৱাল, অৰ্থাত [redacted] ...

**ইব্ৰী ৪:১২** কিয়নো ঈশ্বৰৰ [redacted] জীয়া, কাৰ্য্য সাধক, আৰু আটাই দুধৰীয়া তৰোৱালতকৈয়ো চোকা ...

**টোকা:** চয়তানৰ সুচতুৰ প্ৰবঞ্চনাৰ পৰা একমাত্ৰভাৱে নিৰাপদ হৈ থকাৰ উপায়টো হৈছে, আমাৰ মনবোৰত ঈশ্বৰৰ বাক্য জমা কৰি ৰখা যাতে ই আমাক পাপৰ পৰা দূৰৈত ৰাখে । চয়তানৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ যীচুৱে যি অস্ত্ৰ ব্যৱহাৰ কৰিছিল, সেই একেই অস্ত্ৰ আমাৰ বাবে আজিও প্ৰয়োজন হৈ আছে আৰু আমাৰ বাবে পৰ্য্যাপ্ত পৰিমানত মজুত হৈ আছে ।

**গীতমালা ১১৯:১১** মই যেন তোমাৰ অহিতে পাপ নকৰোঁ, এই নিমিত্তে মই তোমাৰ বাক্য মোৰ মনত সাচিলো ।

**ইফিচীয়া ৬:১১** চয়তানৰ নানাবিধ কুকল্পনাৰ সন্মুখত থিৰে থাকিবলৈ সমৰ্থ হবৰ কাৰনে, ঈশ্বৰৰ আটাই সাজ পিন্ধা ।

## ১২. চয়তানৰ অন্তিম ভাগ্য, অবচালোমৰ ভাগ্যৰ সৈতে কেনেকৈ মিল খাব?

**২য় চামুৱেল ১৮:১৭** পাছে তেওঁবিলাকে অবচালোমক নমাই আনি, কাঠনিৰ মাজত থকা বৰ [redacted] পেলাই তেওঁৰ ওপৰত শিলৰ এটা বৰ দম কৰিলে ...

**যিচয়া ১৪:১৫** তথাপি তোমালোক চিয়োললৈ [redacted] অন্ত ভাগলৈকে নমোৱা হব ।

## ১৩. ঈশ্বৰৰ লোকসকলক প্ৰলোভিত কৰিবলৈ চয়তান কেতিয়াবা আকৌ এবাৰ দেখা দিব নে?

**যিহিস্কেল ২৮:১৯** ... তুমি ত্ৰাসৰ বিষয় হলা; তুমি আৰু [redacted] ।

**নহূম ১:৯** ... তেওঁ সম্পূৰ্ণকৈ অন্ত কৰিব; [redacted] সঙ্কত নহব ।

## ১৪. অধাৰ্ম্মিক বিলাকৰ ধ্বংশত ঈশ্বৰৰ অনুভৱ কেনেকুৱা হয়?

**যিহিস্কেল ৩৩:১১** তুমি তেওঁবিলাকক কোৱা, প্ৰভু যিহোৱাই কৈছে, মোৰ জীৱনৰ শপত দুষ্টৰ মৰনত মই [redacted] নাপাও, কিন্তু দুষ্টই যে নিজ পথৰ পৰা [redacted], তাতহে মই সন্তোষ পাও; ঘুৰা, তোমালোকৰ কুপথৰ পৰা তোমালোক ঘুৰা; ... তোমালোক কিয় মৰিবা?

## ১৫. দায়ুদে তেওঁৰ বিদ্ৰোহী পুত্ৰ অবচালোমৰ মৃত্যু হোৱাৰ কথা যেতিয়া জানিব পাৰিছিল তেতিয়া তেওঁ কেনেকুৱা প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিল?

**২য় চামুৱেল ১৮:৩৩** তেতিয়া ৰজাই বৰকৈ [redacted] হৈ নগৰৰ দুৱাৰৰ ওপৰৰ কোঠালিলৈ উঠি ক্ৰন্দন কৰিবলৈ ধৰিলে, আৰু ইফালে সিফালে ফুৰি কলে, “হায়, মোৰ পুত্ৰ অবচালোম! [redacted] মই [redacted] ভাল আছিল! হায়, অবচালোম ! হায়, মোৰ পুত্ৰ ! মোৰ পুত্ৰ” !

# আপোনাৰ সহাৰি

হৃদয় স্পৰ্শী এই চিত্ৰখনে এইটো দেখুওৱাই আমাৰ স্বৰ্গীয় পিতৃ জনাই তেওৰ সন্তান হেৰোৱাত কেনেকুৱা অনুভৱ কৰে । তেও আমাৰ ঠাইত কেৱল মৰিবলৈয়ে ইচ্ছুক নাছিল; তেও ইয়াতকৈয়ো এখোজ আগবাঢ়ি গৈ-তেও আটাইতকৈ মহান উপহাৰ-তেওৰ নিজ পুত্ৰক দান কৰিছিল! কোনোবা নষ্ট হোৱাটোক ঈশ্বৰে কেতিয়াও ইচ্ছা নকৰে । আপুনি পৰিত্ৰান পোৱাতোক তেও মনে প্ৰানে বিচাৰে । এই কাৰনেই যীচু আপোনাৰ ঠাইত মৰিল । স্বৰ্গীয় পিতৃ জনাৰ বিৰুদ্ধে কৰা বিদ্ৰোহত জগতৰ বেচিভাগেই চয়তানৰ লগত যোগ দিলে । তেওক প্ৰেম আৰু সেৱা কৰিবলৈ আপুনি এতিয়াই মনোনীত কৰিব নে?

**উত্তৰ:** [redacted]

# সংযোজন

এই খন্ডটোৱে অধিক অধ্যয়নৰ বাবে অতিৰিক্ত তথ্যৰ যোগান ধৰিব ।

### তূৰৰ আৰু বাবিলৰ ৰজাৰ দ্বাৰাই চয়তানক প্ৰতীকিৰূপত দেখুওৱা হয় ।

যিচয়া ১৪:৪-১৫ পদবোৰত বাইবেলে চয়তানৰ এটা প্ৰতীক হিচাবে বাবিলৰ ৰজাক ব্যৱহাৰ কৰিছে, আৰু যিহিস্কেল ২৮:১১-১৯ পদবোৰত তূৰৰ ৰজাৰ দ্বাৰাই চয়তানক প্ৰতীকিৰূপত দেখুওৱা হৈছে । দুয়োটা ক্ষেত্ৰতে আমি জানো যে এই যি প্ৰতীকিৰূপ ই জাগতিক ৰজাবিলাকতকৈ বহু আগত বহু কথা প্ৰকাশ কৰে কাৰন ইয়াত ঈশ্বৰৰ যি বৰ্ননা সি কোনো মৰণশীল মানৱৰ মানৱৰ ক্ষেত্ৰত প্ৰযোজ্য নহয় । লক্ষ্য কৰক তলত দিয়া শাস্ত্ৰপদবোৰত লুচিফাৰক (এতিয়া চয়তান বুলি মাতা হয়) কেনেকৈ বৰ্ননা কৰা হৈছে:

- স্বৰ্গৰ পৰা পতিত হোৱা (যিচয়া ১৪:১২)
- পূৰ্ণজ্ঞানী আৰু পৰমসুন্দৰ (যিহিস্কেল ২৮:১২)
- এদেনত আছিল (১৩ পদ )
- সকলো বহুমূল্য পাথৰ আৰু সোন তাৰ আৱৰণ আছিল (১৩ পদ)
- ঢাকি ধৰোতা অভিষিক্ত কৰূব আছিল (১৪ পদ)
- ঈশ্বৰৰ পবিত্ৰ পৰ্ব্বতত থাকিব পৰাকৈ তাক স্হাপন কৰা হৈছিল (১৪ পদ)
- তাৰ আচাৰ-ব্যৱহাৰত সিদ্ধ আছিল (১৫ পদ)

# পাঠ নং-৩

যিহেতু বাবিল আৰু তূৰৰ ৰজাই একেধৰনৰ ৰাজনৈতিক খেলা দেখুৱাইছিল আৰু সম্পূৰ্ণভাৱে ধ্বংশ হৈছিল, ঠিক সেইদৰে চয়তানৰ ৰাজ্যখনৰ ক্ষেত্ৰতো ঘটিব, স্বয়ং ঈশ্বৰেই ইহতক চয়তানৰ প্ৰতীক হিচাবে ব্যৱহাৰ কৰিছিল । প্ৰকাৰন্তেৰে আটাইবিলাক বাইবেল অথৰিতিয়ে এই প্ৰতীকিকৰনত সন্মত । ঘটনাক্ৰমে লুচিফাৰৰ বিষয়ে বাইবেলে বহুতো আন আন কথা উল্লেখ কৰাৰ ৰেৰ্কড ৰাখিছে (চাওক লূক ৪:৫,৬; ১০:১৮; যোহন ৮:৪৪; ২য় পিতৰ ২:৪; ১ম যোহন ৩:৮; যিহুদা ৬; প্ৰকাশিতবাক্য ১২:৭-৯) কিন্তু যিহিস্কেল ২৮ অধ্যায় আৰু যিচয়া ১৪ অধ্যায় নথকাহেতেন, আমাৰ হাতত সম্পূৰ্ণ বুৰন্জী নেথাকিলহেতেন ।

## অনাকাংক্ষ্যিতক আকাংক্ষ্যা কৰা

বহুতো লোকে আকাংক্ষ্যা কৰে অন্তিম সময়ত চয়তান ঈশ্বৰৰ শত্ৰু হিচাপে মুকলিকৈ ওলাই পৰক, কিন্তু ই হৈ নুঠে । চয়তান বাস্তবিকতে ঈশ্বৰৰ আটাইতকৈ তিক্তত্তাপূৰ্ণ শত্ৰু, কিন্তু কৃটিম ধাৰ্ম্মিকতাৰ বেশত তাৰ আগমন ঘটিব (মথি ২৪:২৪) । সি দ্বিপ্তীময় দূতৰ বেশত দেখা দিব (২য় কৰিন্হীয় ১১:১৩-১৫) আৰু লোকসমুহৰ পৰা সেৱা আৰধনা বিচাৰিব (প্ৰকাশিতবাক্য ১৩:১২) । শাত্ৰীয় বাক্য অতি স্পষ্ট যে তাৰ ওপৰুৱা ঈশ্বৰীয় ৰূপ ইমান প্ৰত্যয়জনক হব যে সমগ্ৰ জগত থনেই সেই পশুৰ পিছে পিছে যাব (প্ৰকাশিতবাক্য ১৩:৩) । কি যে এক শোকজনক ঘটনা হব! খ্ৰীষ্ট হিচাপে ছদ্মবেশ ধৰাত চয়তান ইমানেই ফলদায়ক হব যে প্ৰকাৰন্তেৰে সমগ্ৰ জগতখনেই তাক অনুসৰন কৰিব, সকলো সময়তে ভাবিব যে তেওবিলাকে যীচুকহে অনুসৰন কৰিছে । আপুনিও প্ৰবঞ্চিত হব নে? এই পাঠ্যক্ৰমত দিয়া বাইবেলৰ সতৰ্ক বানীবোৰক আপুনি যদি মনোযোগ দিছে আপুনি প্ৰবঞ্চিত নোহোৱাকৈ থাকিব ।

## এজন দ্বিপ্তীময় স্বৰ্গ দূত

চয়তান বৰকৈ ৰং পায় যেতিয়া মানুহে তাক এজন কুতচিত, ৰঙা বাদুলিৰ ডেউকা থকা অৰ্ধ-মানৱ আৰু অৰ্ধ জন্তুৰ ৰূপত, ফটা-মেল খোৱা ভৰিৰ খুৰা থকা, দীঘল জোঙা নেজ থকা বা এডাল ঘাতুৰ দন্ড আৰু নৰকৰ জুই লগত লৈ ফুৰা ইত্যাদিৰ ৰূপত দেখুৱাই । এইবোৰত কোনো সত্যতা নাই । এনেকুৱা ধৰনৰ ধাৰনা গ্ৰীকৰ পৌৰাণিক কল্পিত দেৱতাদি বিষয়ক বিবৰণৰ পৰা অহাহে । এনেকুৱা ধৰনৰ অকামিলা ফাংফুং কথা শাস্ত্ৰ-বাক্যত বিচাৰি পোৱা নাযায় । বাইবেলে চয়তানক এজন দ্বিপ্তীময়, সংযোগ স্হাপন কৰাৰ সাংঘাতিক ধৰনে সমৰ্থ থকা গুণেৰে সৈতে, অতি আকৰ্ষণীয় দূত বুলিহে বৰ্ননা কৰিছে । সি শাস্ত্ৰ-বাক্যৰ কথাবোৰকো খুউব ভালকৈ জানে (মথি ৪:৫, ৬) । চয়তান হৈছে স্ব-ঘোষীত ঈশ্বৰৰ শত্ৰু যাৰ লক্ষ্যিই হৈছে তেওৰ চৰিত্ৰত কলঙ্ক সনা আৰু তেওৰ ৰাজ্যখনক দখল কৰা । চয়তানে আপোনাক আৰু আপোনাৰ আপোনজনকো অবমাননা কৰে আৰু আপোনাক ধ্বংশ কৰাৰ তাৰ আচনি আছে । এই এলানি পাঠ্যক্ৰমে তাৰ আচনিবোৰক বুজাত আৰু সেইবোৰ কেনেকৈ ব্যৰ্থ কৰিব পাৰি তাক শিকাত আপোনাক সহায় কৰিব ।আপুনি মাথোন আপোনাৰ জীৱনটোক আপোনাৰ সৰ্ব্বশক্তিমান ত্ৰাণকৰ্ত্তা জনাৰ ৰক্ষাকাৰী ব্যৱস্হাত সোধাই দিয়ক, আৰু তেওৰ মাৰ্গ-দৰ্শনৰ নিমিত্তে আন্তৰিকতাৰে প্ৰাৰ্থনা কৰক ।


©2023 Amazing Facts India
All Rights Reserved Printed in India
+91 916 916 4480 | AFTV.in
For more uplifting, life changing resources visit Bookstore.AFTV.in